# লেখকসকলৰ প্ৰতি গোহাৰি

**লেখা পঠিয়াবলৈ ই-মেইল ঠিকনা:** ganitbikash@gmail.com

**হোৱাট্ছ্এপ নম্বৰ:** +919101906237 আৰু +447464034185

- লেখাসমূহ LaTeX ত লিখি পঠিয়াব পাৰিব।
- LaTeX ৰ সুবিধা নহ'লে MS Word আদি ধৰণৰ সঁজুলিত লিখি পঠিয়াব আৰু যাতে আখৰবোৰ নতুন কম্পিউটাৰ-মোবাইল, সাধাৰণ ৱেবছাইট আদিত চাব পৰা হয় সেইটো মন কৰিব। যত দূৰ সম্ভৱ, লেখাৰ pdf টোও পঠিয়াব।
- লেখাৰ লগত সংগতি থকা ছবি, ফটো আদি পঠিয়াব।

### LaTeX তো অসমীয়া লিখাটো তেনেই সহজ

LaTeX সঁজুলিসমূহৰ নতুন সংস্কৰণবোৰত প্ৰায়বোৰ ভাষাই লিখিব পাৰি। অসমীয়া লিখিবৰ বাবে fontspec আৰু babel package দুটা যোগ কৰি ল'ব লাগে। সমীকৰণবোৰতো অসমীয়া সংখ্যা-চিহ্ন ব্যৱহাৰ কৰিব পাৰি। Run কৰাৰ নিয়মটো সামান্য সুকীয়া। XeLaTeX বা LuaLaTeX ব্যৱহাৰ কৰিব লাগিব।

**উদাহৰণস্বৰূপে:** MikTeX আৰু এডিটৰ TexStudio ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ এটি ফাইল ইয়াৰ পৰা ডাউনলোড কৰিব পাৰিব: GanitBikash-LaTeX.zip। কম্পিউটাৰত 'Kalpurush' ফন্টটো ইনষ্টল থাকিব লাগিব। Run কৰিবলৈ Tools → Cammands → XeLaTeX এনেকৈ যাব লাগিব। তাৰ পাছত view ত ক্লিক কৰি চাব পাৰিব।

মাইক্ৰ'ছফ্ট ৰিচাৰ্চ আৰু এমআইটিত কৰ্মৰত প্ৰসিদ্ধ গণিতজ্ঞ হেনৰি ক'নে অদ্ভুত গৱেষণা-পত্ৰ সম্পৰ্কীয় এক প্ৰসংগক্ৰমে কৈছিল, "এটা প্ৰচলিত ভুল ধাৰণা আছে যে তোমাৰ কৰ্ম মূল্যায়নৰ বাবে অন্য গৱেষকসকলৰ এক বাধ্যতা আছে আৰু তাক উপেক্ষা কৰাটো তেওঁলোকৰ পেছাদাৰীত্বহীনতা আৰু পক্ষপাতদুষ্টতা।"